অধ্যায় ৩ ঃ কুমাৰসম্ভৱম্ তৃতীয়সর্গৰ শ্লোক (২১-৩০) পাঠ্যাংশৰ আলোচনা

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ তৃতীয়সর্গৰ (২১-৩০) শ্লোকসমূহৰ সংস্কৃত পাঠ

- ৩.৩.১ শ্লোকসমূহৰ গদ্যপাঠ
- ৩.৩.২ শ্লোকসমূহৰ শব্দার্থ
- ৩.৩.৩ শ্লোকসমূহৰ অসমীয়া অনুবাদ

৩.৪ ব্যাকৰণগত টোকা

৩.৫ সংক্ষিপ্তৰূপত শ্লোকসমূহৰ (২১-৩০) বিষয়বস্তু

৩.৬ মহত্বপূর্ণ শ্লোকৰ ভাৱার্থ

৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৮ অধিক জানিবলৈ

৩.৯ অগ্রগতিৰ খতিয়ান

৩.১০ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- কুমাৰসম্ভৱম্ মহাকাব্যৰ তৃতীয় সর্গৰ শ্লোকসমূহৰ (২১-৩০) সংস্কৃত পাঠ অধ্যয়ন কৰিব পাৰিব। লগতে গদ্যপাঠ, শব্দার্থ আৰু অসমীয়া অনুবাদো অধ্যয়ন কৰিব পাৰিব।
- কুমাৰসম্ভৱৰ তৃতীয়সর্গৰ এটি অংশৰ বিষয়বস্তুৰ আভাস পাব
- শ্লোকসমূহৰ কঠিন শব্দবোৰৰ ব্যাকৰণগত বিশ্লেষণৰ লগত অৱগত হ'ব
- কুমাৰসম্ভৱৰ তৃতীয়সর্গত থকা অকালবসন্তৰ একাংশ পঢ়িবলৈ পাব।

৩.২ পৰিচয়

আপুনি ইতিমধ্যে কুমাৰসম্ভৱ মহাকাব্যৰ তৃতীয়সর্গৰ (১-২০) লৈকে শ্লোকসমূহ অধ্যয়ন কৰিলে। শ্লোকসমূহত ইন্দ্র আৰু কামদেৱৰ কথোপকথন পঢ়িবলৈ পালে।

এই অধ্যায়ত আপুনি তৃতীয়সর্গৰে (২১-৩০) লৈকে শ্লোকসমূহ অধ্যয়ন কৰিব পাৰিব। শ্লোকসমূহৰ সংস্কৃত পাঠৰ লগতে প্রতিটো শব্দৰ অর্থ আৰু অসমীয়া অনুবাদো পঢ়িবলৈ পাব লগতে শ্লোকসমূহৰ কঠিনশব্দসমূহৰ ব্যাকৰণগত বিশ্লেষণো জানিব পাৰিব। ইয়াৰোপৰি

অকালবসন্তত প্রকৃতিৰাজ্যত হোৱা বিভিন্ন ক্রিয়া, শিৱৰ সমাধিভঙ্গত মদনৰ অৱস্থাৰ বিষয়ে অৱগত হ'ব পাৰিব।

৩.৩ কুমাৰসম্ভৱৰ তৃতীয়সর্গৰ শ্লোকসমূহৰ (২১-৩০) সংস্কৃত পাঠ

এতিয়া আপুনি কুমাৰসম্ভৱ মহাকাব্যৰ তৃতীসর্গৰ শ্লোকসমূহৰ (২১-৩০)ৰ সংস্কৃত পাঠ পঢ়িবলৈ পাব। শ্লোকসমূহ তলত উল্লেখ কৰা হ'ল—

মধুশ্চ তে **মন্মথ** সাহচর্য্যাদসাবনুক্তোহপি সহায় এৱ।
সমীৰণো নোদয়িতা ভবেতি ব্যাদিশ্যতে কেনহুতাশনস্য।। ২১।।
তথেতি শেষামিৱ ভর্ত্তুৰাজ্ঞামাদায় মূর্ধ্না মদনঃ প্রতস্থে।
ঐৰাৱতাস্ফালন কর্কশেন হস্তেন পস্পর্শ তদঙ্গমিন্দ্রঃ ।। ২২।।
স মাধৱেনাভিমতে সখ্যা ৰত্যা চ সাশঙ্কমনুপ্রয়াতঃ।
অঙ্গব্যয় প্রার্থিত-কার্যসিদ্ধিঃ **স্থান্বাশ্রমং** হৈমৱতং জগাম।। ২৩।।
তস্মিন্ বনে সংযমিনাং মুনীনাং তপঃ সমাধেঃ প্রতি কূলবর্ত্তী।
সংকল্পযোনে**ৰভিমান**ভূতমাত্মানমাধায় মধুর্জজৃম্ভে ।।২৪।।
কুবেৰগুপ্তাং দিশমুষ্ণৰশ্মৌ গন্তুং প্রবৃত্তে সময়ং বিলঙ্ঘ্য।
দিগ্‌দক্ষিণা গন্ধৱহং মুখেন ব্যলীকনিঃশ্বাসমিবোৎসসর্জ।। ২৫।।
অসূত সদ্যঃ কুসুমান্যশোকঃ স্কন্ধাৎ প্রভৃত্যেৱ সপল্লবানি।
পাদেন নাপৈক্ষত সুন্দৰীনাং সম্পর্কমাসিঞ্জিতনূপুৰেণ ।। ২৬।।
সদ্যঃ প্রবালোদ্‌গমচাৰুপত্রে নীতে সমাপ্তিং নৱচূতবানে।
নিবেশয়ামাস মধুর্দ্বিৰেফান্ নামাক্ষৰাণীৱ **মনোভৱস্য**।। ২৭।।
বর্ণপ্রকর্ষে সতি কর্ণিকাৰং দুনোতি নির্গন্ধতয়া স্ম চেতঃ।
প্রায়েণ সামগ্র্যবিধৌ গুণানাং পৰাঙ্‌মুখী **বিশ্বসৃজঃ** প্রবৃত্তিঃ।। ২৮।।
বালেন্দুবক্রাণ্যবিকাশভাৱাদ্বভুঃ পলাশান্যতিলোহিতানি।
সদ্যো বসন্তেন সমাগতানাং নখক্ষতানীৱ বনস্থলীনাম্ ।। ২৯।।
লগ্নদ্বিৰেফাঞ্জনভক্তিচিত্রং মুখে মধুশ্রীস্তিলকং প্রকাশ্য।
ৰাগেণ বালাৰুণকোমলেন চূতপ্রবালোষ্ঠমলংচকাৰ ।। ৩০।।

মধু ঃ বসন্ত
মন্মথ ঃ কামদেৱ

স্থান্বাশ্রম = শিৱআশ্রম

অভিমান = অহঙ্কাৰ

মনোভৱ = কামদেৱ

বিশ্বসৃজঃ = বিধাতা

লগ্নদ্বিৰেফাঞ্জন = ভক্তি চিত্র = বসন্তৰ শোভা কালভ্রমৰৰূপ কাজলৰ ৰেখাৰ দৰে

৩.৩.১ শ্লোকসমূহৰ (২১-৩০) গদ্যপাঠ

এতিয়া আপুনি ওপৰত উল্লেখ কৰা 'কুমাৰসম্ভৱম্' মহাকাব্যৰ তৃতীয়সর্গৰ শ্লোকসমূহৰ গদ্যপাঠ পঢ়িবলৈ পাব—

২১) হে মন্মথ। অসৌ মধুঃ চ তে সাহচর্যাত্ অনুক্তঃ অপি সহায় এৱ, সমীৰণঃ 'হুতাশনস্য নোদয়িতা ভৱ' ইতি কেন ব্যাদিশ্যতে।

২২) ভর্ত্তুঃ শেষাম্ (মালাম্) ইৱ আজ্ঞাং মূর্ধ্না আদায় মদনঃ প্রতস্থে।

ইন্দ্রঃ ঐৰাৱতাস্ফালনকর্কশেন তদঙ্গং পস্পর্শ।।

২৩) সঃ অভিমতেন সখা মাধৱেন ৰত্যা চ সাশঙ্কম্ অঙ্গব্যয়
প্রার্থিতকার্যসিদ্ধিঃ (সন্) হৈমবতং স্থান্বাশ্রমং জগাম।।

২৪) তস্মিন্ বনে সংযমিনাম্ মুনীনাং তপঃ সমাধেঃ প্রতিকূলৱর্তী মধুঃ
সঙ্কল্পযোনেঃ অভিমানভূতম্ আত্মানম্ আধায় জজৃম্ভে।।

২৫) উষ্ণৰশ্মৌ (সূর্য্যে) সময়ং বিলঙ্ঘ্য কুবেৰগুপ্তাং দিশং
(উত্তৰদিশং) গন্তুং প্রবৃত্তে (সতি) দক্ষিণ দিক্ মুখেন গন্ধৱহং (বায়ুং)
ব্যলীকনিশ্বাসম্ ইৱ উত্সসর্জ ।। ২৫।।

২৬) অশোকঃ সদ্যঃ স্কন্ধাত প্রভৃতি এৱ সপল্লবানি কুসুমানি অসূতা আশিঞ্চিতনূপুৰেণ
সুন্দৰীনাং পাদেন সম্পর্কং ন অপৈক্ষত (ন অপেক্ষিতৱান্) ।। ২৬।।

২৭) মধুঃ প্রৱালোদ্গমচাৰুপত্রে নৱচূতবাণে সমাপ্তিং নীতে সদ্যঃ
মনোভৱস্য নামাক্ষৰাণি ইৱ **দ্বিৰেফান্** নিৰেশয়ামাস ।। ২৭।।

২৮) কর্ণিকাৰং বর্ণপ্রকর্ষে সতি নির্গন্ধতয়া চেতঃ দুনোতি স্ম,
প্রায়েণ বিশ্বসৃজঃ প্রবৃত্তিঃ গুণানাং সামগ্রবিধৌ পৰাঙ্মুখী ।। ২৮।।

২৯) অবিকাশভাৱাত্ বালেন্দুবক্রাণি অতিলোহিতানি পলাশানি সদ্যঃ
বসন্তেন সমাগতানাং বনস্থলীনাং নখক্ষতানি ইৱ বভুঃ ।। ২৯।।

৩০) মধুশ্রীঃ লগুদ্বিৰেফাঞ্জন ভক্তিচিত্রং তিলকং মুখে (আদৌ)
প্রকাশ্য (পশ্চাত্) বালাৰুণকোমলেন ৰাগেণ চূত প্রবালোষ্ঠং অলঞ্চকাৰ ।।৩০।।

দ্বিৰেফঃ = ভ্রমৰঃ কৃষ্ণশাৰঃ = কলাহৰিণ

৩.৩.২ শ্লোকসমূহৰ (২১-৩০) শব্দার্থ

২১) হে **মন্মথ** (হে কামদেৱ), অসৌ মধুঃ চ তে সাহচর্য্যাত অনুক্তঃ অপি সহায় এৱ (সাহচর্য গুণ থকাৰ বাবে বসন্ত তোমাৰ সহায়ক হ'বই), সমীৰণঃ হুতাশনস্য নোদয়িতা ভৱ (অগ্নিক জ্বলোৱা বুলি বতাহক), ইতি (এইবুলি) কেন ব্যাদিশ্যতে (কোনেনো আদেশ দিয়ে)।

২২) ভর্ত্তুঃ শেষাম্ (মালাম্) ইৱ আজ্ঞাং মুর্ধ্নাং আদায় (গৰাকীৰ আদেশ ফুলৰ মালা শিৰেৰে গ্রহণ কৰাৰ দৰে), মদনঃ প্রতস্থে (কামদেৱে প্রস্থান কৰিলে), ইন্দ্রঃ ঐৰাৱতাস্ফালন কর্কশেন (ঐৰাৱতক পৰিচর্যা কৰাৰ বাবে খহতা হোৱা হাতেৰে) তদঙ্গং পস্পর্শ (কামদেৱৰ) শৰীৰ স্পর্শ কৰিলে)।

২৩) স অভিমতেন সখ্যা (কামদেৱে মনোবাঞ্ছিত সখী (**মাধৱেন** ৰত্যা চ সাশঙ্কম্ (বসন্তক আৰু প্রিয়তমা পত্নী ৰতিক লৈ আশঙ্কাৰে), অঙ্গ ব্যয় প্রার্থিত কার্যসিদ্ধিঃ (সন্) (দেহৰ ক্ষতি কৰি হ'লেও কার্য সিদ্ধিৰ বাবে), হৈমৱতং স্থান্বাশ্রমং জগাম (হিমালয়ৰ উচ্চ শিখৰত শিৱৰ তপস্যাভূমিত উপস্থিত হ'লগৈ)

২৪) তস্মিন্ বনে (সেই আশ্রমত) সংযমীনাং মুনীনাং (সংযমী মুনিসকলৰ), তপঃ

মন্মথ ঃ কামদেৱ

মাধৱেন ঃ বসন্তেন

সমাধেঃ **প্রতিকূলৱর্তী** (তপস্যা সমাধিৰ বাবে প্রতিকূল), মধুঃ সঙ্কল্পযোনেঃ (অভিমান স্বৰূপ বসন্ত ঋতুৰে), আত্মানম্ আধায় জজৃম্ভে (নিজকে প্রকাশ কৰি আৱির্ভাৱ হ'ল)।

২৫) উষ্ণৱশ্মৌ (সূর্যে) সময়ং বিলঙ্ঘ্য (সূর্যই সময় উলঙঘা কৰি), কুৱেৰগুপ্তাং দিশং (উত্তৰ দিশ) গন্তুং প্রবৃত্তে (সতি) (উত্তৰদিশলৈ যাবলৈ উদ্যত হ'ল), দক্ষিণা দিক্ মুখেন গন্ধবহং (বায়ু) ব্যলীক নিশ্বাস ইব (দক্ষিণ দিশৰূপী নায়িকাই যেন মুখেৰে দুখৰ নিঃশ্বাসৰ দৰে বতাহ), উৎসসর্জ (ত্যাগ কৰিছিল)।

২৬) অশোকঃ সদ্যঃ **স্কন্ধাত্** প্রভৃতি এৱ সপল্লৱানি (অশোক গছবিলাকে আনকি গা-গছৰ পৰাও পল্লৱেৰে সৈতে), কুসুমানি অসূতা (ফুলবোৰৰ জন্ম দিছিল), আসিঞ্জিতনূপুৰেণ সুন্দৰীনাং পাদেন ন অপেক্ষত (সুন্দৰী ৰমনীসকলৰ নূপুৰেৰে ধ্বনিত হৈ থকা পাদস্পর্শ অপেক্ষা কৰা নাছিল)।

২৭) মধুঃ প্রবালোদ্গম চাৰুপত্রে (বসন্তই বাণনির্মাণকাৰী কোমল কুঁহিপাত), **নৱচূতবাণে** সমাপ্তিং নীতি (মনোৰম পাখিবিশিষ্ট নতুন বাণ নির্মাণ কৰি), সদ্যঃ মনোভৱস্য নামাক্ষৰাণি ইৱ দ্বিৰেফান্ নিবেশয়ামাস (ধনুর্ধাৰী কামদেৱৰ নামৰ অক্ষৰৰূপত তাতে কালভ্রমৰমালা যেন নিবেশিত হ'ল)।

২৮) কর্ণিকাৰং বর্ণপ্রকর্ষে সতি (মদাৰফুল বৰণত উৎকৃষ্ট হোৱা সত্বেও), নির্গন্ধতয়া চেতঃ দুনোতি স্ম (গোন্ধ নোহোৱা বাবে মনক নিৰানন্দিত কৰে), প্রায়েণ বিশ্বসৃজঃ প্রবৃত্তিঃ গুণানাং সামগ্র্যবিধৌ পৰামুখী (গুণসমূহৰ একীকৰণৰ ক্ষেত্রত সৃষ্টিকর্ত্তাৰ ইচ্ছা প্রায়েই বিপৰীতমুখী)।

২৯) অবিকাশভাবাত্ **বালেন্দু**বক্রাণি অতিলোহিতানি পলাশানি সদ্যঃ (অতিৰঙাৰঙৰ পলাশফুলবিলাক সম্পূর্ণকৈ ফুলি নুঠা বাবে কাচি জোনৰ নিচিনাকৈ বেঁকা হৈছিল), বসন্তেন সমাগতানাং বনস্থলীনাং নখক্ষতানি ইৱ বভূঃ (এনে লাগিছিল যেন সেইবিলাক এইমাত্র বসন্তৰ সৈতে লগ লগা বনস্থলীৰূপ নায়িকাৰ গাৰ নখৰ আঁচোৰহে আছিল।

৩০) মধুশ্রীঃ লগ্নদ্বিৰেফাঞ্জনভক্তিচিত্রং তিলকং মুখে (আদৌ) প্রকাশ্য (পশ্চাত্) (বসন্তৰশোভা, কালভ্রমৰৰূপ অঞ্জনৰেখা চিত্রিত শুভ তিলপুষ্প প্রথমে বিকশিত কৰি), বালাৰুণকোমলেন ৰাগেন চূতপ্রৱালোষ্ঠং অলঞ্চকাৰ (পিছত নতুনকৈ ওলোৱা সূর্যৰ কিৰণৰ দৰে ৰঙা আম্রপুষ্পৰূপ ৰঙা অধৰক (ওঠক) অলঙ্কৃত কৰিছিল।

প্রতিকূলৱর্ত্তী ঃ বিৰোধী প্রতিকূলং কর্ত্ততে ইতি

স্কন্ধাত্ ঃ প্রকাণ্ডাত গা-গছৰ পৰা

নৱচূতবাণে ঃ নৱচূতেঃ এৱবাণে

বালেন্দু ঃ বালঃ (নবোদিতঃ) ইন্দুঃ। নতুকৈ হোৱা চন্দ্রমা)



জানি থোৱা ভাল

শ্লোক নং ২২ = শেষামিৱ = 'শেষাম্' শব্দই ফুলৰ মালাক বুজাইছে ফুলৰ মালা শিৰেৰে গ্ৰহণ কৰাৰ দৰে দেৱৰাজ ইন্দ্ৰৰ আদেশ কামদেৱে শিৰেৰে গ্ৰহণ কৰিছিল।

শ্লোক নং ২৫ = কুৱেৰগুপ্তাং = কুৱেৰ হৈছে ধনপতি। কুবেৰ উত্তৰ দিশৰ অধিপতি।

৩.৩.৩ শ্লোকসমূহৰ (২১-৩০) অসমীয়া অনুবাদ

২১) হে কামদেৱ। সাহচর্য গুণ থকাৰ বাবেই এই বসন্ত তোমাৰ সহায়ক হ'বই। যিদৰে 'অগ্নিক জ্বলোৱা' বুলি বতাহক কোনেনো আদেশ দিয়ে।

২২) তাৰ পাছত কামদেৱে 'এয়ে হ'ব' বুলি কৈ গৰাকীৰ (ইন্দ্ৰৰ) আদেশ ফুলৰ মালাৰ দৰে শিৰোধার্য কৰি প্ৰস্থান কৰিলে। ঐৰাৱতক পৰিচর্য্যা কৰি কঠোৰ হৈ পৰা হাতেৰে ইন্দ্ৰই তেওঁক (কামদেৱক) স্পর্শ কৰি উৎসাহিত কৰিলে।

২৩) কামদেৱে মনোবাঞ্ছিত সখী বসন্তক আৰু প্ৰিয়তমা পত্নী ৰতিদেৱীক লগতলৈ ভয়ে ভয়ে নিজ দেহৰ ক্ষতি কৰি হ'লেও কার্যসিদ্ধিৰ বাবে হিমালয়ৰ উচ্চ শিখৰত শিৱৰ তপস্যাভূমিত উপস্থিত হ'ল।

২৪) সেই আশ্ৰমত সংযমী মুনিসকলৰ বাবে প্ৰতিকূল, কামদেৱৰ অভিমানস্বৰূপ বসন্ত ঋতুৱে নিজকে প্ৰকাশ কৰি আৱির্ভাৱ হ'ল।

২৫) সূর্যই সময়ক উলংঘা কৰি উত্তৰ দিশলৈ যাবলৈ উদ্যত হ'লত দক্ষিণ দিশৰূপী নায়িকাই যেন দুঃখেৰে নিশ্বাসৰ দৰে বতাহ ত্যাগ কৰিছিল।

২৬) অশোক গছবিলাকে আনকি গা-গছৰ পৰাও পল্লৱেৰে সৈতে ফুলবোৰৰ জন্ম দিছিল, সুন্দৰী ৰমনীসকলৰ নূপুৰেৰে ধ্বনিত হৈ থকা পাদস্পর্শৰ অপেক্ষা কৰা নাছিল।

২৭) বাণনির্মাণকাৰী বসন্ত ঋতুৱে নতুন অঙ্কৰৰূপ মনোৰম পাখিযুক্ত চ্যুতবান (আম্ৰবান) নির্মাণ কৰি ধনুর্ধাৰী কামদেৱৰ নাম অক্ষৰ ৰূপত তাতে কালভ্ৰমৰ মালা যেন নিবেশিত কৰিলে।

২৮) মদাৰফুল বৰণত (ৰঙত) উৎকৃষ্ট হোৱা সত্বেও গোন্ধ নোহোৱা বাবে মনক নিৰানন্দিত কৰে। গুণসমূহৰ একীকৰণৰ ক্ষেত্ৰত সৃষ্টি কর্তাৰ ইচ্ছা প্ৰায়েই বিপৰীতমুখী হয়।

২৯) অতি ৰঙাৰঙৰ পলাশফুলবিলাক সম্পূর্ণকৈ ফুলি নুঠা বাবে কাঁচি জোনৰ নিচিনাকৈ বেঁকা হৈছিল। এনে লাগিছিল যেন সেইবিলাক এইমাত্ৰ বসন্তৰ সৈতে লগ লগা বনস্থলীৰূপ নায়িকাৰ গাৰ নখৰ আচোঁৱহে আছিল।

৩০) বসন্তৰ শোভা, কালভ্রমৰৰূপ অঞ্জনৰেখা চিত্রিত শুভ্র তিলপুষ্প প্রথমে বিকশিত কৰি পিছত নতুনকৈ ওলোৱা সূর্যৰ কিৰণৰ দৰে ৰঙা আমফুলৰ দৰে ৰঙা অধৰক (ওঠক) অলঙ্কৃত কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ কামদেৱৰ পত্নী কোন?

.....

প্রশ্ন নং ২ঃ কামদেৱে কোনগৰাকী সখাৰ লগত শিৱৰ তপস্যাভূমিলৈ গৈছিল?

.....

প্রশ্ন নং ৩ঃ 'স্থাণু বুলিলে কাক বুজায়?

.....

প্রশ্ন নং ৪ঃ উষ্মৰশ্মি কাৰ নাম লিখক।

.....

প্রশ্ন নং ৫ঃ 'দ্বিৰেফ' শব্দই কি বুজায়?

.....

৩.৪ ব্যাকৰণগত টোকা

২১ নং শ্লোকঃ

ব্যুৎপত্তি ঃ মন্মথঃ = মন্ + ক্বিপ্, মথ (ভ্বাদি) অচ্ কর্ত্তৰি

হুতাশনস্য = হুত + অশ্ + ল্যুট্ কর্ত্তৰি বহুলকাত্

নোদয়িতা = নুদ্ - নিচ্ + তৃচ্, প্রথমা একবচন

ভৱ = ভূ + লোট্ হি

ব্যাদিশ্যতে = বি - আ + দিশ্ + লট্ তে কর্মণি।

বিভক্তি নির্ণয় ঃ সাহচর্যাত = হেতৌ পঞ্চমী

সমাস = মন্মথঃ = মতো মথঃ = ষষ্ঠী তৎপুৰুষ সমাস

অনুক্তঃ = ন উক্ত ঃ (নঞ্ তৎপুৰুষ)

২২ নং শ্লোকঃ

ব্যুৎপত্তি ঃ আদায় = আ - দা + ল্যপ্

প্রতস্থে = প্র - স্থা + লিট্ + এ

পস্পর্শ = স্পৃশ্ + লিট্অ

বিভক্তি নির্ণয় ঃ মূর্ধ্না = কৰণে তৃতীয়া

সমাস = তদংগম্ = তস্য অঙ্গম্ (ষষ্ঠী তৎপুৰুষ)

২৩ নং শ্লোকঃ

ব্যুৎপত্তি ঃ অভিমতেন = অভি + মন্ + ক্ত কর্ত্তৰি

হৈমবতম্ = হিম + বতুপ্, হিমবত্ + অণ্

জগাম = গম্ + লিট্ অ

সমাস ঃ সাশঙ্কম্ = আশঙ্কয়া সহ বর্তমানম্ = তুল্যযোগে বহুব্রীহি

অঙ্গব্যয় = অঙ্গস্য ব্যয়ঃ = ষষ্ঠী তত্ পুৰুষ সমাস

২৪ নং শ্লোকঃ

ব্যুৎপত্তি ঃ সংযমিনঃ = সংযম + ইনি মত্বর্থে

সমাধেঃ = সম্ — আ + ধা কি

প্রতিকূলবর্ত্তী = প্রতিকূলং বর্ত্ততে য় ম ইতি

প্রতিকূল + বৃত্ + ণিনি

জজৃম্ভে = জৃম্ভ + লিট্ + এ

বিভক্তি নির্ণয় ঃ বনে = অধিকৰণে সপ্তমী

সমাস ঃ তপঃ সমাধেঃ - তপসঃ সমাধিঃ (ষষ্ঠী তৎপুৰুষ)

২৫ নং শ্লোকঃ

ব্যুৎপত্তি ঃ বিলঙঘ্য = বি - লঙঘ + পিচ্ + ল্যপ্

উত্সসর্জ = উদ্ + সৃজ্ + লিট্ অ

বিভক্তি নির্ণয় ঃ উষ্ণৰশ্মী = ভাবে সপ্তমী

মুখেন = কৰণে তৃতীয়া

সমাস ঃ উষ্ণৰশ্মী = উষ্ণ ৰশ্ময়ঃ যস্য = বহুব্রীহি সমাস, সঃ তম্

ব্যলীকনিশ্বাসম্ = ব্যলীকেন নিঃশ্বাসঃ = তৃতীয়া তৎপুৰুষ, তম্

২৬ নং শ্লোকঃ

ব্যুৎপত্তি ঃ অসূত = সূ + লঙ্ ত

অপৈক্ষত = অপ + ঈক্ষ্ + লঙ্ ত

আসিঞ্জিত্ = আ - সিঞ্জ্ + ক্ত কর্ত্তৰি

বিভক্তি নির্ণয় ঃ স্কন্ধাত্ প্রভৃতি = প্রভৃতি শব্দযোগে পঞ্চমী

পাদেন = সহ শব্দযোগে তৃতীয়া

সমাস ঃ সপল্লবানি = পল্লবৈঃ সহ বর্ত্তমানানি = তুল্যযোগে বহুব্রীহি, তানি

২৭ নং শ্লোকঃ

ব্যুৎপত্তি ঃ উদ্গম = উদ্ - গম্ + অপ ভাৱে

নিবেশয়ামাস = নি - বিশ্ + ণিচ্ + লিট্ অ

মনোভৱঃ = মনস্ + ভূ + অচ্ কর্ত্তৰি

বিভক্তি নির্ণয় ঃ নৱচূতবাণে = ভাবে সপ্তমী

মনোভৱস্য = শেষে ষষ্ঠী

সমাস ঃ প্ৰৱালোদগম চাৰুপত্ৰে = প্ৰৱালোদ্‌গমাঃ চাৰুপত্ৰ যস্য = বহুব্ৰীহি সমাস, তস্মিন্

প্ৰৱালোদ্‌গমঃ = প্ৰৱালস্য উদ্‌গমঃ = ষষ্ঠী তৎপুৰুষ

২৮ নং শ্লোকঃ

ব্যুৎপত্তি ঃ কর্ণিকাৰম্ = কর্ণিকাৰ + অণ্ = কর্ণিকাৰম্

দুনোতি = দু + লট্ + তি

বিশ্বসৃজঃ = বিশ্বং সৃজতি ইতি বিশ্ব = বিশ্ব সৃজ্ + ক্বিপ্ কর্ত্তৰি

সামগ্র্যম্ = সমগ্র + ষঞ্

প্রবৃত্তিঃ = প্র - বৃত্ = ক্তিন্ ভাবে

বিভক্তি নির্ণয় ঃ বর্ণপ্রকর্ষে = ভাবে সপ্তমী

বিশ্বসৃজঃ = শেষে ষষ্ঠী

নির্গন্ধতয়া = হেতৌ তৃতীয়া

প্রায়েণ = প্রকৃত্যাদিত্বাত্ তৃতীয়া

সমাস ঃ বর্ণপ্রকর্ষে = বর্ণস্য প্রকর্ষঃ = ষষ্ঠী তৎপুৰুষ তস্মিন্

সামগ্র্যবিধৌ = সামগ্র্যস্য বিধিঃ = ষষ্ঠী তৎপুৰুষ সমাস, তস্মিন্

২৯ নং শ্লোকঃ

ব্যুৎপত্তি ঃ বভুঃ = ভা + লিট্ উস্

বিভক্তি নির্ণয় ঃ বসন্তেন = উহ্যসহশব্দযোগে তৃতীয়া

সমাস ঃ অবিকাশভাবাত্ = অবিকাশস্য ভাৱ ঃ = ষষ্ঠী তৎপুৰুষ, তস্মাৎ ন বিকাশভাৱ = অবিকাশভাৱ

বিকাশস্য ভাৱঃ = বিকাশা ভাৱঃ (ষষ্ঠীত্যপুৰুষ নবিকাশাভাৱঃ অবিকাশাভাৱঃ

নঞ্ত্যপুৰুষ, তস্মাৎ

বালেন্দুঃ = বাল (নবোদিত) ইন্দুঃ = কর্মধাৰয়সমাস

৩০ নং শ্লোকঃ

ব্যুৎপত্তি ঃ প্রকাশ্য = প্র - কাশ্ + ল্যপ্

অলঞ্চকাৰ = অলম্ + কৃ + লিট্ অ

বিভক্তি নির্ণয় ঃ ৰাগেন = কৰণে তৃতীয়া

সমাস ঃ লগ্নদ্বিৰেফ = দ্বৌ ৰেফৌ যেষাম্ বহুব্রীহি সমাস, তে,

লগ্নাঃ দ্বিৰেফাঃ = কর্মধাৰয় সমাস

বালাৰুণ = বালঃ অৰুণঃ = কর্মধাৰয় সমাস

মধুশ্রী = মধোঃ শ্রীঃ = ষষ্ঠী তৎপুৰুষ

চূতপ্রবাল = চূতস্য প্রবালঃ = ষষ্ঠী তৎপুৰুষ সমাস

৩.৫ সংক্ষিপ্তৰূপত শ্লোকসমূহৰ (১৬-৩০) বিষয়বস্তু

মহাকবি কালিদাস বিৰচিত ৰঘুবংশম্ মহাকাব্যৰ তৃতীয়সর্গৰ আৰম্ভণিতে ইন্দ্রই কামদেৱক আহ্বান জনাই শিৱৰ সমাধি ভঙ্গ কৰিবৰ বাবে আদেশ দিছে। দেৱৰাজ ইন্দ্রই কামদেৱক কৈছিল যে দেৱতাসকলৰ উপকাৰৰ বাবেহে এই কাম কৰিব লাগিব—

সাহচর্য গুণ থকাৰ বাবে বসন্ত কামদেৱৰ সহায়ক হ'বই, যিদৰে জুই জ্বলাবলৈ বতাহক কোনেনো আদেশ দিয়ে? (২১)। তাৰ পাছত কামদেৱে 'এয়ে হ'ব' এই বুলি গৰাকীৰ আদেশ ফুলৰ মালা গ্রহণ কৰাৰ দৰেই শিৰোধার্য কৰি প্রস্থান কৰিলে। ইন্দ্রই ঐৰাৱতক পৰিচর্য্যা কৰাৰ বাবে খহটা হোৱা হাতেৰে কামদেৱক পিঠিত হাতফুৰাই আশীর্বাদ দিলে (২২)। তাৰ পাছত কামদেৱে মনোবঞ্চিত সখী বসন্ত আৰু কামদেৱক লগত লৈ ভয়ে ভয়ে নিজৰ ক্ষতি হ'ব বুলি জানিও দেৱকার্য সিদ্ধিৰ বাবে হিমালয়ৰ উচ্চ শিখৰত অৱস্থিত শিৱৰ তপস্যাভূমিত উপস্থিত হ'লগৈ (২৩)। সেই আশ্রমত সংযমী মুনিসকলৰ তপস্যা কার্যৰ বাবে প্রতিকূল, কামদেৱৰ অভিমানস্বৰূপ বসন্ত ঋতুৱে নিজকে প্রকাশ কৰি আৱির্ভাব হ'ল (২৪)। সূর্যই সময়ক উলঙঘা কৰি উত্তৰ দিশলৈ যাবলৈ উদ্যত হোৱাত দক্ষিণ দিশৰূপী নায়িকাই যেন মুখেৰে দুঃখৰ নিশ্বাসৰ দৰে বতাহ ত্যাগ কৰিছিল (২৫)। অশোক গছবিলাকে আনকি গা-গছৰ পৰাও পল্লৱেৰে সৈতে ফুলবোৰৰ জন্ম দিছিল। সুন্দৰী ৰমণীসকলৰ নূপুৰৰ ধ্বনিযুক্ত পাদস্পর্শলৈ অপেক্ষা কৰা নাছিল (২৬)। বাণনির্মাণকাৰী বসন্ত নৱাঙ্কুৰৰূপ মনোৰম পক্ষবিশিষ্ট চূতবাণ নির্মাণ কৰি ধনুর্ধাৰী কামদেৱৰ নামৰ অক্ষৰৰূপত তাতে কালভ্রমৰমালা যেন নিবেশিত হ'ল (২৭)। মদাৰফুল বৰণত উৎকৃষ্ট হোৱা সত্বেও গোন্ধ নোহোৱাৰ বাবে মনক নিৰানন্দিত কৰে। গুণসমূহৰ একীকৰণৰ ক্ষেত্রত সৃষ্টিকর্ত্তাৰ ইচ্ছা প্রায়েই বিপৰীত মুখী (২৮)। অতি ৰঙা ৰঙৰ পলাশ ফুলবিলাক সম্পূর্ণকৈ ফুলি নুঠা বাবে কাঁচিজোনৰ নিচিনাকৈ বেঁকা হৈছিল। এনে লাগিছিল যেন সেইবিলাক এইমাত্র বসন্তৰ সৈতে লগ লগা বনস্থলীৰূপ নায়িকাৰ গাৰ নখৰ আচোঁৰহে আছিল (২৯)। বসন্তৰ শোভা কালভ্রমৰ ৰূপ অন্ধতনৰেখাৰদৰে (ক'লাৰেখাৰ দৰে) চিত্রিত শুভ্র তিলপুষ্প প্রথমে বিকশিত কৰি পিছত নতুনকৈ ওলোৱা সূর্যৰ কিৰণৰ দৰে ৰঙা আম্রপুষ্পৰূপ ৰঙা অধৰক অলঙ্কৃত কৰিছিল (৩০)।

৩.৬ মহত্বপূর্ণ শ্লোকৰ ভাৱার্থ

(ক) **সদ্যঃ** প্রৱালোদ্গমচাৰুপত্রে নীতি সমাপ্তিং নৱচূতবাণে।
নিবেশয়ামাস মধুদ্বিৰেফান্নামাক্ষৰাণীৱ মনোভৱস্য ।।২৭।।

হিমালয়ৰ উচ্চ শিখৰত ধ্যানস্থমহাদেৱৰ ধ্যান ভঙ্গ কৰি তেওঁক হিমালয়ৰ কন্যা পার্বতীৰ প্রতি আকৃষ্ট কৰাৰ মানসেৰে দেৱৰাজ ইন্দ্রৰ আজ্ঞা শিৰোধার্য কৰি মনোবাঞ্ছিত সখি বসন্ত আৰু প্রাণসম প্রিয়তমা পত্নী ৰতিক লগতলৈ নিজৰ প্রাণৰ বিনিময়তো দেৱকার্য সিদ্ধিৰ অর্থে কামদেৱ হিমালয়ত সমাধিৰত মহাদেৱৰ আশ্রমত প্রৱেশ কৰিছিল। বসন্তই আশ্রমত অকাল বসন্তৰ সৃষ্টি কৰিলে আৰু বসন্তৰ আৱির্ভাবে আশ্রমৰ প্রাকৃতিক বাতাবৰণত এক আকস্মিক পৰিৱর্তনৰ সৃষ্টি

কৰিলে। গছবিলাকে গা-গছৰ পৰাও পাতযুক্ত হৈ ফুলফুলি উঠিছিল। আমগছৰ ফুলৰ সুবাসত আকৃষ্ট হৈ মৌ পিপাসু ক'লা ভোমোৰাবিলাকে চাৰিওফালে গুণগুণাই উৰিবলৈ আৰম্ভ কৰিলে। এনে অনুমান হ'ল, যেন কামদেৱৰ নাম আখৰ স্বৰূপ কৰিহে ভোমোৰাবিলাকক বসন্তই প্ৰেৰণ কৰিছে। ইয়াত আমগছৰ কুঁহিপাত আৰু ফুলবিলাকক কামদেৱৰ একোপাত শৰৰ লগত তুলনা কৰা হৈছে আৰু বসন্তৰ দ্বাৰা প্ৰেৰিত ভোমোৰাবিলাকক কামদেৱৰ নামৰ আখৰ ৰূপত নিৱদ্ধ কৰিছে যেন কামদেৱৰ উপস্থিতিৰহে ইঙ্গিত দিছে।

খ) বর্ণপ্রকর্ষে সতি কর্ণিকাৰং দুনোতি নির্গন্ধতয়া স্ম চেতঃ।
প্রায়েণ সামগ্র্যবিধৌ গুণানাং পৰাঙ্মুখী বিশ্বসৃজঃ প্রবৃত্তিঃ ।।২৮।।

বসন্ত ঋতু আগমনৰ লগে লগে প্ৰকৃতিৰ স্থাৱৰ-জঙ্গম উভয়ে আকস্মিকভাৱে আনন্দত মতলীয়া হৈ পৰিল। চৌদিশে ৰঙৰ পয়োভৰ দেখা গ'ল। গছ-লতা নতুন পাত আৰু ফুলেৰে জকমকীয়া হৈ পৰিল। কর্ণিকা পুষ্প ৰঙত উৎকৃষ্ট। কিন্তু ইয়াৰ গোন্ধ নাই, সেয়েহে ই মানুহৰ মনত আনন্দ দিব নোৱাৰে বৰং নিৰানন্দহে কৰে। কিন্তু কর্ণিকাপুষ্পই (অর্থাৎ মদাৰ ফুলে) মানুহে ভালপোৱা বা বেয়া পোৱালৈ ভ্রুক্ষেপ নকৰে। প্ৰকৃতিৰ অন্যান্য বস্তুবিলাক বসন্তৰ আগমনৰ লগে লগে যিদৰে আনন্দিত হৈ উঠিছে, কর্ণিকাপুষ্পও তাৰেই সমভাগী হৈছে। আনৰ মনত আনন্দ দিব পাৰিছে বা পৰা নাই সেইটো কর্ণিকাৰ বিবেচনাৰ কথা নহয়। প্ৰত্যেকৰে কিবা নহয় কিবা এটা খুঁত থাকি যায়। বিশ্বব্ৰহ্মাণ্ডৰ সকলো বস্তুকেই সুক্ষ্মভাৱে লক্ষ্য কৰিলে এই কথা সততে চকুত পৰে যে কোনো বস্তুৱেই সর্বাঙ্গসুন্দৰ নহয়। সৃষ্টিকর্তাৰ সৃষ্টিৰ বৈচিত্র্যও ইয়াতে আৱদ্ধ। সৃষ্টিকর্তাই কোনো এটা বস্তুতেই সকলো গুণৰ সমাৱেশ ঘটোৱা নাই। কিয়নো, চন্দ্ৰৰ কিৰণ অতিশয় শীতল কিন্তু সর্বাংগসুন্দৰ নহয়, ইয়াতো কলঙ্ক আছে। গতিকে, কর্ণিকাপুষ্পৰ গোন্ধ নথকাতো ইয়াৰ দোষ নহয়, ই সৃষ্টিকর্তাৰ সৃষ্টি মাহাত্ম্যকেই প্ৰকাশ কৰিছে।

(গ) বালেন্দুবক্রাণ্যবিকাশ ভাবাদ্বভুঃ পলাশান্যতিলোহিতানি।
সদ্যো বসন্তেন সমাগতানাং নখক্ষতানীৱ বনস্থলীনাম্ ।।২৯।।

মহাকবি কালিদাসে কুমাৰসম্ভৱ মহাকাব্যৰ তৃতীয়সর্গত বিশ্বপ্ৰকৃতি আৰু মানুহৰ অন্তঃ প্ৰকৃতিক আলোড়িত কৰিছে। জীৱ-জগত আৰু গছ-গছনিৰ মাজতে ইয়াৰ প্ৰতিক্ৰিয়া দেখা গৈছে। অতিৰঙা ৰঙৰ পলাশ ফুলবিলাস সম্পূর্ণকৈ ফুলি নুঠা বাবে কাঁচিজোনৰ দৰে বেঁকা হৈছিল। এনে লাগিছিল যেন সেইবিলাক এইমাত্ৰ বসন্তৰ সৈতে লগলগা বনস্থলীৰূপ নায়িকাৰ গাৰ নখৰ আচোঁৰহে আছিল। ইয়াত কবিয়ে বনস্থলীক নায়িকাৰূপত কল্পনা কৰিছে আৰু বসন্ত ঋতুক নায়কৰ ৰূপত কল্পনা কৰিছে। ৰঙা পলাশ ফুলে বনস্থলীৰ ৰঙা কৰি তুলিছে। কাঁচিজোনৰ দৰে প্ৰস্ফুটিত পলাশফুলবোৰে ৰমণীসদৃশ দেহত নখৰ আচোঁৰৰ দৰে শোভবর্দ্ধন কৰিলে।

(ঘ) লগ্নদ্বিৱেফাঞ্জনভক্তিচিত্রং মুখে মধুশ্রীস্তিলকং প্রকাশ্য।
ৰাগেন বালারুণকোমলেন চূত প্রবালোষ্ঠমঞ্চকাৰ ।।৩০।।

কুমাৰসম্ভৱৰ অকালবসন্তৰ চিত্র নির্মাণত কালিদাসৰ অসামান্য দক্ষতা প্ৰকাশ হৈছে। এই সর্গত প্ৰকৃতিৰ নৈসর্গিক চিত্র অংকনত কবিয়ে বিশেষ কৃতিত্ব দেখুৱাইছে। নিসর্গৰ ওপৰত

আকৌ নাৰী সৌন্দর্যৰ সাদৃশ্য আৰোপ কৰিছে।

বসন্তলক্ষ্মীয়ে মুখত ভ্রমৰৰূপী কাজলযুক্ত তিলক ধাৰণ কৰি প্রভাতসূর্যৰ ৰঙাবৰণেৰে আম্রমুকুলসদৃশ ওঁঠ দুটি ৰঞ্জিত কৰিলে। কলা ভোমোৰাক কাজলৰ লগত তুলনা কৰিছে আৰু সূর্যৰ ৰঙাকিৰণক নায়িকাৰ ৰঙা অধৰৰ লগত তুলনা কৰিছে। তিলপুষ্পক নায়িকাৰ কপালৰ তিল বুলি অভিহিত কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ঃ তলৰ শব্দবোৰৰ ব্যুৎপত্তি নির্ণয় কৰক।

জজৃম্ভে, ব্যাদিশ্যতে।

.....

.....

প্রশ্ন নং ৭ঃ তলৰ শব্দবোৰৰ বিভক্তি নির্ণয় কৰক ঃ

নিসর্গতিয়া, মুখেন

.....

.....

প্রশ্ন নং ৮ঃ তলৰ শব্দসমূহৰ ব্যাসবাক্য লিখি সমাস নিৰূপণ কৰক ঃ

বিশ্বসৃজঃ, বর্ণপ্রকর্ষে

.....

.....



৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- পাঠ্যাংশৰ শ্লোকসমূহৰ (২১-৩০) সংস্কৃত পাঠৰ লগতে গদ্যপাঠ জানিলে।
- প্রতিটো শ্লোকৰ শব্দার্থ আৰু অসমীয়া অনুবাদ জানিব পাৰিলে।
- প্রতিটো শ্লোকৰ ব্যাকৰণগত টোকা আৰু শ্লোকসমূহৰ বিষয়বস্তুৰ বিষয়ে অৱগত হ'ব পাৰিলে।
- মহত্বপূর্ণ শ্লোকৰ ভাৱার্থৰ বিষয়ে অবগত হ'ব পাৰিলে।
- মহত্বপূর্ণ শ্লোকৰ ভাৱার্থৰ বিষয়ে অবগত হ'ল।



৩.৮ অধিক জানিবলৈ

১) *দি কুমাৰসম্ভৱম্ অব্ কালিদাস* (কেণ্টো ১-৮) মতিলাল বানাৰসীদাস, দিল্লী।

২) *কালিদাস' চ কুমাৰসম্ভৱম্* - (কেণ্টো - ১-৮) নাগ পাব্লিচার্চ, জৰাহৰনগৰ, দিল্লী-৭।

৩) *কুমাৰসম্ভৱম্* - (১-৫) সর্গ মহাকবি কালিদাস প্রণীতম্। সম্পাদনা - শ্রীমদ্‌গুৰুনাথ বিদ্যানিধি ভট্টাচার্য সংস্কৃত পুস্তকভাণ্ডাৰ - ৩৮, বিধানসৰণী, কলিকতা - ৭০০ ০০৬।

৪) *সংস্কৃত সাহিত্য সম্ভাৰ* (Vol. 2), নৱপত্র প্রকাশন, ১৯৮৯, ৬, বংকিম চ্যাটাজী ষ্ট্রীট, কলিকতা - ৭০০০৭৩।



৩.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ কামদেৱৰ পত্নীৰ নাম ৰতি দেৱী।

২ নং প্রশ্নৰ উত্তৰঃ কামদেৱে সখা বসন্তৰ লগত শিৱৰ আশ্রমলৈ গৈছিল।

৩ নং প্রশ্নৰ উত্তৰঃ 'স্থাণু' বুলিলে শিৱক বুজায়।

৪ নং প্রশ্নৰ উত্তৰঃ উষ্মৰশ্মি সূর্যৰ নাম।

৫ নং প্রশ্নৰ উত্তৰঃ 'দ্বিৰেফ' শব্দই ভোমোৰাক বুজায়।

৬ নং প্রশ্নৰ উত্তৰঃ জজৃম্ভে = জৃম্ভ্ + লিট্ এ

ব্যাদিশ্যতে = বি - আ + দিশ্ (কর্মণি) লট্ প্রথমপুৰুষ একবচন।

৭ নং প্রশ্নৰ উত্তৰঃ নিসর্গতিয়া - হেতৌ তৃতীয়া

মুখেন — কৰণে তৃতীয়া

৮ নং প্রশ্নৰ উত্তৰঃ বিশ্বসৃজঃ — বিশ্বংসৃজতীতি = উপপদতৎপুৰুষ, তস্য

বর্ণপ্রকর্ষে — বর্ণস্য প্রকর্ষঃ = ষষ্ঠীতৎপুৰুষ, তস্মিন্



৩.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ তলত উল্লেখ কৰা শব্দবোৰৰ ব্যাকৰণগত টোকা লিখক—

নিবেশয়ামাস, পৰাঙ্মুখী, হুতাশনস্য, সাশঙ্কম্, প্রতিকূলবর্ত্তী, বিলঙঘ্য, পাদেন।

খ) চুটি প্রশ্ন

প্রশ্ন ১ঃ কুমাৰসম্ভৱৰ তৃতীয়সর্গত কামদেৱে ইন্দ্ৰৰ আদেশ পালনৰ অর্থে শিৱৰ আশ্রমত কি কৰিছিল ?

গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ 'প্রায়েন সামগ্র্যবিধৌ গুণানাং পৰাঙ্মুখী
বিশ্বসৃজঃ প্রবৃত্তিঃ।।'
ওপৰোক্ত শ্লোকাংশৰ — আলমত কথাখিনি বুজাই লিখক।

প্রশ্ন ২ঃ তৃতীয়সর্গৰ (২১-৩১) শ্লোকত থকা অকালবসন্তৰ বর্ণনা দিয়ক।

*** ***** ***